# বানিজ্য, অৰ্থনীতি, বৈজ্ঞানিক, প্ৰযুক্তিগত আৰু সাংস্কৃতিক সহযোগিতা (আইআৰআইজিচি-টিইচি) ভাৰ্চুৱেল পুনৰীক্ষণ বৈঠকৰ ওপৰত ভাৰত-ৰাছিয়া আন্তঃ-চৰকাৰী আয়োগ

মাৰ্চ 06, 2023

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়সংকৰে ৰাছিয়ান ফেডাৰেশ্যনৰ উপ-প্ৰধান মন্ত্ৰী আৰু বানিজ্য ও উদ্যোগ মন্ত্ৰী, আৰু বানিজ্য, অৰ্থনীতি, বৈজ্ঞানিক, প্ৰযুক্তিগত আৰু সাংস্কৃতিক সহযোগিতাৰ (আইআৰআইজিচি-টিইচি) ওপৰত ভাৰত-ৰাছিয়া আন্তঃ-চৰকাৰী আয়োগৰ সহ অধ্যক্ষ, মহামহিম শ্ৰীযুত ডেনিছ মেন্‌টুৰ’ভৰ সৈতে এখন ভাৰ্চুৱেল বৈঠক অনুষ্ঠিত কৰে।

2. সহ -অধ্যক্ষ কেইগৰাকীয়ে নৱেম্বৰ 2022 ত মস্কোত অনুষ্ঠিত তেওঁলোকৰ বৈঠকৰ কালৰ পৰা আইআৰআইজিচি-টিইচি আৰ্হিৰ অধীনত বিভিন্ন কাৰ্যকৰী গোট আৰু উপ-গোটৰ বৈঠকত লাভ কৰা অগ্ৰগতিৰ পুনৰীক্ষণ কৰে আৰু আইআৰআইজিচি-টিইচিৰ পৰৱৰ্তী মুখামুখি বৈঠকৰ বাবে সমল প্ৰস্তুত কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে যি পাৰস্পৰিকভাৱে সুবিদাজনক তাৰিখত নতুন দিল্লীত অনুষ্ঠিত হ’ব। দুয়োটা পক্ষই বানিজ্যিক নাটনি আৰু বজাৰৰ প্ৰৱেশ–সুচলতাৰ সমস্যা সম্বোধন কৰাৰ জৰিয়তে ভাৰত-ৰাছিয়াৰ দ্বিপাক্ষিক বানিজ্যিক আৰু অৰ্থনৈতিক সম্পৰ্কৰ পূৰ্ণ সম্ভাৱনা মুকলি কৰিবলৈ একেলগে কাম কৰি যাবলৈ সন্মতি প্ৰকাশ কৰে।

3. আন্তঃ-চৰকাৰী আয়োগ হৈছে দুখন দেশৰ মাজত বানিজ্য আৰু অৰ্থনৈতিক সহযোগিতাৰ ক্ষেত্ৰত দ্বিপাক্ষিক বিকাশ নিয়মিতভাৱে পৰিদৰ্শন কৰিবলৈ এটা প্ৰণালী যাক বানিজ্য, অৰ্থনীতি, বৈজ্ঞানিক, প্ৰযুক্তিগত আৰু সাংস্কৃতিক সহযোগিতাৰ ওপৰত আন্তঃ-চৰকাৰী আয়োগৰ ওপৰত মে 1992 ত স্বাক্ষৰিত এখন চুক্তিৰ দ্বাৰা সৃষ্টি কৰা হৈছিল। আইআৰআইজিচিৰ প্ৰথম অধিৱেশন 1994 চনৰ 13 আৰু 14 চেপ্টেম্বৰ তাৰিখে অনুষ্ঠিত হৈছিল। এতিয়ালৈ, 23 খন আইআৰআইজিচি বৈঠক অনুষ্ঠিত হৈ গৈছে। আইআৰআইজিচিৰ 23 তম অধিৱেশন 2018 চনৰ 14 ছেপ্টেম্বৰ তাৰিখে মস্কোত অনুষ্ঠিত হৈছিল। 24তম আইআৰআইজিচি-টিইচি বৈঠকৰ ভাৰতে আঁত ধৰিব আৰু আজিৰ পুনৰীক্ষণ বৈঠকখনে ইয়াৰ বাবে পথ প্ৰশস্ত কৰি তুলিব।

**নতুন দিল্লী**

**মাৰ্চ 06, 2023**